# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১২ নৱেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

## আঁ-হজৰত (ছাঃ)ৰ সৰ্বোত্তম মৰ্যদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সম্পৰ্কে বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত হাফচা (ৰাঃ)য়ে এবাৰ হজৰত উমৰ (ৰাঃ)ক কয় যে আল্লাহ তা'লা আপোনাক ৰিজিকৰ মাত্ৰা বঢ়াই দিছে আৰু আপোনাক বিজয় প্ৰদানৰ ওপৰিও পৰ্যাপ্ত পৰিমাণে ধন-মালও দান কৰিছে। গতিকে আপুনি বেছি বেছি কোমল আহাৰ খোৱা কৰক আৰু কোমল পোছাক পৰিধান কৰক। এয়া শুনি হজৰত উমৰ (ৰাঃ)য়ে উত্তৰ দিছিল যে যিমানদুৰ মোৰ দ্বাৰা সম্ভৱ হ'ব মই ৰছুলুল্লাহ (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ দৰে দৰিদ্ৰতা সুলভ জীৱন-যাপনত চামিল থাকিম যাতে তেখেত দুজনৰ শান্তিপূৰ্ণ জীৱন-যাপনত অংশীদাৰ হ'ব পাৰো। হজৰত আক্ৰমা বিন খালিদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আৰু কিছুমান লোকেও হজৰত উমৰ (ৰাঃ)ক কৈছিল যে যদি আপুনি বেছি উত্তম আহাৰ গ্ৰহণ কৰে তেন্তে আপুনি সত্যৰ বাবে কাম কৰি যাবলৈ আৰু বেছি সক্ষম হ'ব। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে যদি মই আঁ-হজৰত (ছাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ আদৰ্শ এৰি দিওঁ তেন্তে মই তেখেত দুজনক লক্ষ্যস্থলত গৈ লগ পাব নোৱাৰো।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে আঁ-হজৰত (ছাঃ)য়ে বিপদ সংকুল সময় ছোৱাত সৰলতাৰ আৰু অতি সাধাৰণ ভাৱে জীৱন-যাপন কৰাৰ প্ৰয়োজন অনুভৱ কৰি অনুসাৰী মুছলমান সকলক নিৰ্দেশ দিছিল যে এটা আঞ্জাতকৈ বেছি আৰু যেন ব্যৱহাৰ কৰা নহয়।এবাৰ হজৰত উমৰ (ৰাঃ)ক ছিৰকা (আঙুৰেৰে বনোৱা এক প্ৰকাৰ খাদ্য) আৰু লৱন একেলগে আনি খাবলৈ দিয়াত তেখেত (ৰাঃ)য়ে কৈছিল এয়া দুটা আঞ্জা বনোৱা হৈছে। এয়া আছিল হজৰত উমৰ (ৰাঃ)ৰ ৰছুল প্ৰেমৰ চানেকি। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়েও তেহেৰিকে জাদিদৰ ঘোষণা কৰি জামাতৰ সদস্য সকলক আহ্বান জনাইছিল যে প্ৰত্যেকজন আহমদীয়ে যেন এয়া স্বীকাৰ কৰি লয় যে আজিৰ পৰা তেওঁলোকে এটা আঞ্জা ব্যৱহাৰ কৰিব যাতে জমাতৰ সদস্য সকলে নিজৰ ব্যয় কমাই ৰাহি খিনি

তেহেৰিকে জাদিদৰ চান্দা দিব পাৰে। আল্লাহৰ কৃপাত আজি সেই অৱস্থাৰ পৰিৱৰ্তন ঘটিছে গতিকে তেনে বাধ্যবাধকতা আৰু নাই। তথাপি অপব্যয় কৰা উচিত নহয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে সকলোকে আব্দুৰ ৰহমান হ'বলৈ দুটা চৰ্ত বৰ্ণনা কৰিছে। প্ৰথম নিজৰ ধন-মাল অপচয় নকৰিব। দ্বিতীয়তে নিজৰ শৰীৰ আৰু শক্তি অটুট ৰাখিবলৈ খাদ্য গ্ৰহণ কৰিব আৰু পোছাক নিজকে ঢাকিবলৈ আৰু নিৰাপদে ৰাখিবলৈ পিন্ধিব। হজৰত উমৰ (ৰাঃ)য়ে এবাৰ ছিৰিয়া ভ্ৰমণত গৈ কিছুমান চাহাবা সকলক ৰেচমৰ কাপোৰ পৰিধান কৰি থকা দেখি বৰ অসন্তুষ্ট হৈছিল। তেতিয়া এজন চাহাবীয়ে দেখিছিল যে তেওঁ নিজে তলত মোটা কুৰ্তা পিন্ধি আছে; সেয়ে তেওঁ কৈছিল যে মই নিজৰ পোছাক এই দেশৰ ৰাজনৈতিক পৰিৱেশ অনুযায়ী সলনি কৰিছোঁ কাৰণ ইয়াৰে বাসিন্দা সকলে আটক ধুনীয়া অভিজাত পোছাকত থকা নেতাকহে দেখিবলৈ ভাল পায়। হজৰত উমৰ (ৰাঃ)য়ে আভিজাত্যৰ আটক ধুনীয়া পোছাক পৰিধানৰ ইমানেই বিৰোধী আছিল যে বিজয়ী শত্ৰু এজনৰ বাবেও এয়া পছন্দ কৰা নাছিল যে তেওঁ এনেকুৱা আভিজাত্যৰ পোছাক পৰিধান কৰি তেখেত (ৰাঃ)ৰ সন্মুখত আহিব। তুছতৰ বিজয়ৰ সময়ত যেতিয়া ফাৰ্চি চিপাছালাৰ (সেনাদক্ষ) হৰমুজাক হজৰত উমৰ (ৰাঃ)ৰ সন্মুখত পঠোৱা হৈছিল তেতিয়া হৰমুজান ৰেচমৰ পোছাক পৰিধান কৰা অৱস্থাত আছিল। সেয়া দেখি হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মই অগ্নিৰ পৰা আল্লাহ তা'লাৰ আশ্ৰয় বিচাৰো আৰু আল্লাহ তা'লাৰ সহায় বিচাৰো। যেতিয়ালৈকে হৰমুজানে তাৰ আটক ধুনীয়া পোছাক আৰু গহনা শৰীৰৰ পৰা খুলি থোৱা নাছিল হজৰত উমৰ (ৰাঃ)য়ে তাৰ লগত কথা পতা নাছিল।

হজৰত উমৰ (ৰাঃ)ৰ নম্ৰতা আৰু খোদাভীতি সম্পৰ্কে এই কথাৰ পৰা এটা ধাৰণা কৰিব পাৰি; হজৰত উৰুৱা বিন জুবেৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ক কান্ধত এটা পানীৰ কলহ উঠাই লৈ যোৱা দেখি কৈছিলো- হে আমিৰুল মোমিনিন ! আপোনাৰ বাবে এয়া শোভা নাপায়। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে উত্তৰত কৈছিল যে যেতিয়া বিভিন্ন সম্প্ৰদায়ৰ নেতা,প্ৰতিনিধিয়ে আনুগত্য স্বীকাৰ কৰি বিভিন্ন ভাৱে মোৰ ওচৰলৈ আহে তেতিয়া মোৰ মনত গৌৰৱ উপজে সেয়ে মই ভাৱিছো যে সেই অহংকাৰ মই পানীৰ কলহ বৈ নি নিঃশেষ কৰিম। এবাৰ হজৰ পৰা অহাৰ বাটত এজোপা গছৰ তলত থিয় হৈ হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে এটা সময় আছিল যেতিয়া মই মোৰ উট চ'ৰাই আনি এই গছ জোপাৰ তলত তাক শুবলৈ দিছিলো তেতিয়া মোৰ দেউতায় মোক বৰ বকনি দিছিল আৰু এতিয়া এনেকুৱা সময় আহিছে যে কেইবা লাখ মানুহ মোৰ আদেশত প্ৰাণ দিবলৈ সাজু আছে। হজৰত উমৰ (ৰাঃ)য়ে কয় যে মই ৰছুলে কৰিম (ছাঃ)ক মানি লৈছো সেয়ে খোদা তা'লাই মোক এই মৰ্যাদাপ্ৰাপ্ত পদ দান কৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে চোৱা ! এটা উট ৰখীয়া আৰু সাম্ৰাজ্য এই দুটাৰ মাজত কিনো সম্পৰ্ক ? কিন্তু চোৱা ! তেখেতে সেই দৃষ্টান্ত স্থাপন কৰিছে, যাৰ ফলত আজিও গোটেই বিশ্বই তাৰ আগত মূৰ নত কৰে আৰু তাৰ ৰাজনৈতিক প্ৰশংসা কৰে। আকৌ চোৱা ! হজৰত আবু বক্কৰ (ৰাঃ) এজন সাধাৰণ বেপাৰী আছিল কিন্তু তেখেতৰ বিবেক,জ্ঞান,পাণ্ডিত্য জগত মোহিত হৈ চিন্তা কৰে যে এইবোৰ তেখেত (ৰাঃ)য়ে কৰ পৰা লাভ কৰিলে; মই কওঁ যে এই সকলোবোৰ তেখেত (ৰাঃ)য়ে কোৰ-আন চৰিফৰ পৰা লাভ কৰিছে। তেখেত (ৰাঃ)য়ে কোৰ-আন গভীৰ ভাৱে অধ্যয়ন কৰি এইবোৰ আহৰণ কৰিছে; যিবোৰ জগতৰ লোকে লাভ কৰিব পৰা নাছিল। কাৰণ কোৰ-আন এনেকুৱা এটা অমোঘ অস্ত্ৰ যে যেতিয়া ইয়াৰ সৈতে হৃদয়ক স্পৰ্শ কৰোৱা হয়; তেতিয়া হৃদয়খন এনেকুৱা পৰিষ্কাৰ হয় যে গোটা বিশ্বৰ জ্ঞান তাৰ দৃশ্যপটত উন্মোচিত হয় আৰু মানৱৰ ওপৰত এনেকুৱা দুৱাৰ মুকলি হয় যে কোনো প্ৰতিবন্ধকীয় জ্ঞানেই তাৰ হৃদয়ত উদিত

হৈ ইয়াক প্ৰতিৰোধ কৰিব নোৱাৰে। গতিকে প্ৰত্যেকজন মানুহৰ বাবে প্ৰয়োজন হ'ল যে তেওঁলোকে যেন কোৰ-আন পঢ়ে আৰু তাৰ ওপৰত চিন্তা-ভাৱনা কৰিবলৈ চেষ্টা কৰে।

হজৰত উমৰ (ৰাঃ)ৰ নম্ৰতা আৰু সহনশীলতা সম্পৰ্কে এটা ৰিৱায়তত এনেদৰে উল্লেখ পোৱা যায় যে জাবিৰ বিন নফিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এটা জামাতে উমৰ (ৰাঃ)ক উদ্দ্যেশী কৈছিল, আল্লাহৰ শপত ! মই কোনো ব্যক্তিকেই আপোনাতকৈ বেছি ন্যায়পৰায়ণ,সত্যবাদী আৰু কপটতা সকলৰ ওপৰত কঠোৰতা অৱলম্বন কৰা লোক দেখা নাই। হজৰত অউফ বিন মালিক (ৰাঃ)য়ে কৈছে যে, আল্লাহৰ শপত ! মই নবী কৰীম (ছাঃ)ৰ পিছত হজৰত উমৰ (ৰাঃ)তকৈ উত্তম হজৰত আবু বক্কৰ (ৰাঃ)ক দেখিছোঁ। হজৰত উমৰ (ৰাঃ)য়ে কয় যে অউফে সঁচা কৈছে। আল্লাহৰ শপত ! আবু বক্কৰ হৰিণৰ নাভি কস্তুৰী সুগন্ধিতকৈ বেছি পৱিত্ৰ আৰু মই ঘৰচীয়া উটতকৈয়ো বেছি দিশহাৰা হওঁ।

হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ সৈতে আমি ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত গৈ বহাৰ লগে লগে তেখেত (ছাঃ)য়ে উঠি কৰবালৈ গুচি গৈছিল আৰু তেখেত (ছাঃ)য়ে ওভতি অহাত পলম হয়। তেতিয়া মোৰ অলপ চিন্তা হোৱাত মই তেখেত (ছাঃ)ক বিচাৰি গৈ এখন বাগানত লগ পাইছিলোঁ। তেখেত (ছাঃ)য়ে নিজৰ জোতা মোক দিছিল আৰু কৈছিল যে যিকোনো লোকক তুমি এই বাগানৰ বাহিৰত লগ পাবা আৰু তেওঁ যদি অন্তৰত বিশ্বাস ৰাখি এয়া সাক্ষী দিয়ে যে আল্লাহৰ বাহিৰে কোনেও উপাস্যৰ যোগ্য নহয় তেন্তে জান্নাতৰ সুসংবাদ দিবা। মই গৈ সৰ্বপ্ৰথম হজৰত উমৰ (ৰাঃ)ক লগ পাইছিলোঁ। তেখেতে এই কথাখিনি শুনাৰ লগে লগে মোক ঘূৰাই লৈ আনি নিজেও আঁ-হজৰত (ছাঃ)ৰ ওচৰত আহি উপস্থিত হৈছিল আৰু আবেদন জনাইছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) ! এনেকুৱা নকৰিব কাৰণ লোকে কেৱল ইয়াৰ ওপৰতেই ভৰষা কৰিবলৈ ল'ব। উত্তম হ'ব এয়া যে লোকে যেন নেকিৰ আদেশৰ ওপৰত আমল কৰে যাতে প্ৰকৃত মোমিন হ'ব পাৰে। ৰছুলুল্লাহ (ছাঃ)য়ে তেনেদৰে কৰিবলৈ অনুমতি দিছিল।

হজৰত ছাআদ বিন উকাচ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে কুৰাইছৰ কিছুমান তিৰোতাই ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে উচ্চস্বৰে কথা পাতি আছিল। এনেতে হজৰত উমৰ (ৰাঃ)তাত গৈ উপস্থিত হোৱাত ভয়তে সেই তিৰোতা সকলে পৰ্দাৰ আঁৰত গৈ লুকাইছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হাবশাৰ এজনী মহিলাই নাচ দেখুৱাই আছিল। মইও ৰছুলুল্লাহ (ছাঃ)ৰ কান্ধত মোৰ থুঁতৰি ৰাখি সেয়া দেখি আছিলো। এনেতে হজৰত উমৰ (ৰাঃ)য়ে তালৈ অহাত সকলোৱে গুচি গৈছিল। হজৰত বৰিদা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এজনী ক'লা বৰণীয়া খাদিমা (দাসী)য়ে মানসা কৰাত নবী কৰিম (ছাঃ)ৰ অনুমতি ক্ৰমে দফ বজোৱাবলৈ লৈছিল। এনেতে হজৰত আবু বক্কৰ (ৰাঃ),হজৰত আলি (ৰাঃ) আৰু হজৰত উচমান (ৰাঃ)য়ে তালৈ আহিছিল যদিও মহিলা জনীয়ে দফ বজায়ে আছিল। কিন্তু যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে তালৈ আহিছিল দফ বজোৱা বন্ধ কৰি দিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে হে উমৰ ! চয়তানেও তোমাক ভয় কৰে।

হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে- আল্লাহ তা'লা উমৰৰ জিভা আৰু হৃদয়ত সত্যক জাৰি কৰি দিছে। হজৰত আববাছ (ৰাঃ)য়ে নিজৰ ভাই ফজলৰ পৰা শুনি বৰ্ণনা কৰিছে যে তেওঁ ৰছুলুল্লাহ (ছাঃ)ক কওঁতে শুনিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে উমৰ বিন খাত্তাব মোৰ সৈতে থাকে,য'ত মই পছন্দ কৰো আৰু তাৰ সৈতে থাকো য'ত তেওঁ পছন্দ কৰে আৰু মোৰ পিছত উমৰ বিন খাত্তাব য'ত থাকিব সত্য তাৰ সৈতে থাকিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে চুক্তি সম্পন্ন হোৱা সত্বেও মক্কা বাসীয়ে গাদ্দাৰি কৰাত (চুক্তি ভঙ্গ কৰাত) সিহঁতৰ সৈতে ৰণ কৰিবলৈ হজৰত উমৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক কৈছিল যে মই নিতৌ দোৱা কৰিছিলোঁ যে আমি আপোনাৰ নিৰাপত্তাৰ বাবে কাফিৰৰ সৈতে যেন ৰণ কৰো। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে সত্যৰ বাণী হজৰত উমৰৰ জিভাৰে বেছি জাৰি হয়।

হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলৰ মাজত বহি আছিল; তেতিয়া কোনো এজন চাহাবীয়েও তেখেত (ছাঃ)ৰ ফালে মূৰ দাঙি চোৱা নাছিল কিন্তু হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ ফালে মিচিকিয়াইছিল আৰু তেখেত (ছাঃ)য়েও এওঁলোক দুজনৰ ফালে চাই মিচিকিয়াইছিল। আব্দুল্লাহ বিন হাতিবৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ)ক চাই কৈছিল যে এওঁলোক দুয়ো মোৰ কাণ আৰু চকু। হজৰত জাবেৰ বিন আব্দুল্লাহ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছে- মই ৰছুলুল্লাহ (ছাঃ)ক কওঁতে শুনিছো যে কোনো মানুহৰ ওপৰতেই সুৰ্য উদিত হোৱা নাই; যিজন উমৰতকৈ উত্তম। হজৰত হুজায়ফা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে মোৰ পিছত আবু বক্কৰ আৰু উমৰ (ৰাঃ)ৰ আনুগত্য কৰিবা

হজৰত আবু ছঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে প্ৰত্যেকজন নবীৰেই আচমানৰ ফালৰ পৰা দুজন প্ৰতিনিধি আৰু জমিনৰ পৰা দুজন প্ৰতিনিধি হৈ থাকে। আচমানৰ ফালৰ পৰা মোৰ প্ৰতিনিধি দুজন হ'ল জিব্ৰাইল আৰু মিকাইল; ঠিক এনেদৰে জমিনৰ প্ৰতিনিধি দুজন হ'ল আবু বক্কৰ (ৰাঃ) আৰু উমৰ (ৰাঃ)। আবু জহিফা কৈছে যে মই হজৰত আলি (ৰাঃ)ৰ পৰা শুনিছো যে এই উম্মতৰ মাজত নবীৰ পিছত আটাইতকৈ উত্তম আবু বক্কৰ (ৰাঃ) আৰু উমৰ (ৰাঃ)।

হুজুৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা ইনশা আল্লাহ আগলৈ আৰু চলিব। হুজুৰ (আইঃ)য়ে খোতবাৰ শেষত মকৰম কামৰাণ আহমদ চাহাব অফ পেশাবাৰৰ শ্বাহাদত,মকৰম ডক্টৰ মিৰ্জা নবিৰ আহমদ আৰু তেখেতৰ পত্নী মহতৰমা আয়শা আনবিৰ ছৈয়দৰ মৃত্যু আৰু মকৰম চৌধুৰী নছিৰ আহমদ চাহাব (কাৰাচী) আৰু মহতৰমা ছৰোৱাৰ বি বি চাহিবা (দাৰুৰ ৰহমত গৰিবি ৰাৱোৱা)ৰ মৃত্যু সম্পৰ্কে চমু বৰ্ণনা আগবঢ়ায় আৰু মৰহুমিন সকলৰ বাবে মাগফিৰাত কামনা কৰি উন্নীত মৰ্যদাৰ বাবে দোৱা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**